শইকীয়াৰ দৰে আমাৰ দুয়োৰে ‘গৰীয়সী’য়েই এক obsession।” প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বৰা ছাৰে ‘গৰীয়সী’ত আৰম্ভ কৰা ‘অ-সম্পাদকীয়’ স্তম্ভটো তেখেতৰ ‘সম্পাদকীয়’ স্তম্ভতকৈ অধিক জনপ্ৰিয় হৈছিল। সেয়া যি কি নহওক, একমাত্ৰ বৰা ছাৰৰ একক প্ৰচেষ্টাতে মই ২০১০ চনৰ ১৫ মে’ত ‘গৰীয়সী’ত উপ-সম্পাদকৰূপে যোগ দিবলৈ সমৰ্থ হৈছিলোঁহক—প্ৰায় এঘাৰটা বছৰ অসমীয়া সাহিত্যক মহিমামণ্ডিত কৰা এইগৰাকী প্ৰাতঃস্মৰণীয় মহাৰথীৰ স্নেহধন্য হৈ ‘গৰীয়সী’ত কাম কৰাৰ পৰম সৌভাগ্য হ’ল!

পূৰ্বপৰিচিত নাছিল বাবে প্ৰথম কিছুদিন মই সংকোচেৰে বৰা ছাৰৰ লগত কাম কৰিছিলোঁ; তেখেতৰ তৰংগ-দৈৰ্ঘ্যৰ সঠিক উমান পাবলৈ কিছুদিন লাগিছিল যদিও, প্ৰথম দুই-এদিনতে এটা কথাৰ উমান পাইছিলোঁ যে তেখেতৰ স্মৃতিশক্তি প্ৰচুৰ। কোনো কথা সতকাই নাপাহৰে যথা, হঠাৎ জুনৰ প্ৰথম সপ্তাহত কৈ দিব, “অংকুৰ, তোমাক ২০ মে’ত দিয়া অমুকৰ গল্পটো দিয়াচোন—নামটো সলাই দিওঁ।” এই সুদীৰ্ঘ এঘাৰ বছৰত মাজত মাথোঁ ছমাহমান ছাৰৰ সৈতে মতানৈক্য হৈছিল; মাত-বোল বন্ধ হৈ গৈছিল। কিন্তু পিতৃতুল্য বৰা ছাৰক মোক ক্ষমা কৰি দিবলৈ অনুৰোধ কৰিছিলোঁ—ছাৰেও বুজি পাইছিল এমুঠি আধা-কেঁচেলুৰা লেখকেহে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আমাৰ দুয়োৰে মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিছিল—সেই তিতা অভিজ্ঞতাই ছাৰ আৰু মোৰ মাজত ক্ৰমশঃ গঢ় লৈ উঠা পিতা-পুত্ৰৰ সম্বন্ধত কোনো স্থায়ী প্ৰভাৱ পেলাব নোৱাৰিলে। বৰা ছাৰ আৰু মই সঠিক সময়তে বুজি উঠিছিলোঁ যে একেটা আইনাৰ ঘৰত বাস কৰা মানুহে ইজনে সিজনৰ গালৈ শিলগুটি দলিয়াব নাপায়!

এতিয়া আহোঁ—ছাৰৰ সম্পাদনা ৰীতিলৈ। ড° লক্ষ্মীনন্দন বৰা ছাৰে শিৰোনামত খুব গুৰুত্ব দিছিল। ছাৰৰ কথা স্পষ্ট যে শিৰোনাম পঢ়িয়ে সকলো পাঠকে লেখাটোৰ বিষয়নো কি স্পষ্টকৈ জানিব লাগিব। মোৰ নিজৰ প্ৰবন্ধৰ আলমত কথাটো বুজিবলৈ সুচল হ’ব। ২০১০ চনৰ নৱেম্বৰ সংখ্যা ‘গৰীয়সী’ত প্ৰকাশৰ বাবে চিত্ৰকলা বিষয়ক এটা প্ৰবন্ধ লিখিছিলোঁ; যাৰ শিৰোনাম আছিল ‘কবিগুৰুৰ ছবি’। সেই বছৰেৰে ১৮ অক্টোবৰত মোৰ সেই প্ৰবন্ধটো ছাৰে সম্পাদনা কৰিবলৈ লৈয়ে মোক তেখেতৰ কোঠালৈ মাতি পঠিয়াইছিল; কৈছিল—“আমাৰ কিমানজন পাঠকে কবিগুৰু মানে ৰবীন্দ্ৰনাথ বুলি বুজিবহে—শিৰোনাম সদায় স্পষ্ট হ’ব লাগে।” বৰা ছাৰে নতুন শিৰোনাম দিছিল ‘চিত্ৰশিল্পী ৰবীন্দ্ৰনাথ’। সেই একেটা লেখাত থকা অদৰকাৰী আৰু সমস্ত শব্দ দুটা সলাই ছাৰে কৰিছিল অপ্ৰয়োজনীয় আৰু সকলো। মুঠতে নিভাঁজ অসমীয়া শব্দৰ ব্যৱহাৰত জোৰ দিছিল। যোৱা বছৰৰ মাৰ্চ মাহৰ লকডাউনৰ পৰা বৰা ছাৰৰ কাৰ্যালয়লৈ আহ-যাহ কমি গৈছিল যদিও, প্ৰায় প্ৰতিদিনেই মোৰ সৈতে ‘গৰীয়সী’ৰ লেখা সম্বন্ধে ফোনতে কথা-বতৰা হৈছিল—দুই-এবাৰ ময়ো তেখেতৰ ঘৰলৈ গৈ আলোচনা কৰিছিলোঁ। নিজে চোকা ছাত্ৰ আছিল বাবেই নেকি চোকা বুদ্ধিৰ নতুন লেখকক ছাৰে বৰ মৰম কৰিছিল। যিকোনো এটা লেখাৰ প্ৰথম পেৰাগ্ৰাফটো পঢ়িয়ে ছাৰে ছপাৰ যোগ্য হয়নে নহয়; সিদ্ধান্ত ল’ব পাৰিছিল। ‘গৰীয়সী’ত ছপাৰ যোগ্য হ’লে Yes আৰু অযোগ্য হ’লে No বুলি লিখি মোলৈ আগবঢ়াই দিছিল। ধীৰে ধীৰে মোৰ ওচৰত আস্থা অহাত গল্পৰ বাদে আন লেখাৰ সম্পাদনাৰ (বা কেতিয়াবা আনকি নিৰ্বাচনৰো) দায়িত্ব মোক দিছিল। আলস্য বুলি অভিধানত জিলিকি থকা শব্দটো বৰা ছাৰৰ অভিধানত এদিনৰ বাবেও নেদেখিলোঁ! প্ৰত্যেকটো গল্পৰ নিৰ্বাচন আৰু সম্পাদনাৰ কথাটো ছাৰে খুব নিষ্ঠাৰে কৰিছিল। ব্যতিক্ৰম আছিল ‘বসন্ত উৎসৱ সংখ্যা’ আৰু ‘শাৰদীয় উৎসৱ সংখ্যা’—সাধাৰণতে এই দুটা সংখ্যাত প্ৰতিষ্ঠিত লেখকৰ গল্পহে ছপা হয়। সেয়ে বৰা ছাৰে ‘গৰীয়সী’ৰ এই বিশেষ সংখ্যাৰ গল্পৰ সম্পাদনাত হাত নিদিছিল। আনকি ছাৰে সম্পাদনা কৰি থৈ যোৱা ‘গৰীয়সী’ৰ শেষ সংখ্যা আৰু জুনত প্ৰকাশিত পাঁচটা গল্পৰ চাৰিটা গল্পই সম্পাদনা কৰি থৈ গৈছে। অযথা ইংৰাজী শব্দৰ ব্যৱহাৰৰ ছাৰ পক্ষপাতী নাছিল—নিতুল চাংমাইৰ জুনত প্ৰকাশিত ‘গতি-অগতি’ নামৰ গল্পত ‘টৰ্চাৰ’ শব্দটো কাটি ছাৰে কৰিছিল ‘অত্যাচাৰ’। (আঃ, সময় কি নিষ্ঠুৰ, ‘গৰীয়সী’ৰ জুন সংখ্যা প্ৰকাশ পাবৰ দিনা ছাৰ আছিল আই ছি ইউত জীৱন-মৃত্যুৰে যুঁজি!)

যি কাৰণতে নহওক, সাহিত্যৰ কেউটা শাখাৰ ভিতৰত ছাৰৰ কবিতাৰ প্ৰতি আগ্ৰহ আছিল সীমিত—কোনোবাই ছাৰলৈ কবিতা প্ৰেৰণ কৰিলে; মোক কয়, “অংকুৰ, এই কবিতাটো চোৱাচোন—কবিতাৰ গুণ আছে নে?” অৱশ্যে মনৰ উৎসাহত ছাৰেও কেতিয়াবা দুই-এটা কবিতা লিখিছিল আৰু লাজ লাজকৈ আমাক দেখুৱাইছিল।

অসমীয়া ভাষা-সাহিত্য আৰু জাতিক ড° লক্ষ্মীনন্দন বৰা ছাৰে প্ৰাণভৰি ভাল পাইছিল—‘গৰীয়সী’ৰ প্ৰায় প্ৰতিটো ‘সম্পাদকীয়’ আৰু ‘অ-সম্পাদকীয়’ স্তম্ভতে তাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। আনকি তেখেতে শেষবাৰৰ বাবে লিখা আৰু যোৱা মে’ মাহত প্ৰকাশিত ‘সম্পাদকীয়’ আৰু ‘অ-সম্পাদকীয়’ দুটিও এই সত্যৰ ব্যতিক্ৰম নহয়! ‘নিৰ্বাচন ঃ আশা আৰু নিৰাশা’ শীৰ্ষক সম্পাদকীয়ৰ এঠাইত লিখিছে—“ফলাফল যেনেকুৱাই হওক লাগিলে, সদ্যসমাপ্ত এই নিৰ্বাচনটোৱে অসমৰ সামাজিক জীৱনৰ যথেষ্ট ক্ষতি কৰিলে আৰু জাতীয় সংহতিত আঘাত হানিলে।...” একেদৰে ‘বিহুৰ পাছৰ অনুভৱ’ নামৰ ‘অ-সম্পাদকীয়’ত লিখিছে—“কিন্তু সম্প্ৰতি অসমৰ অসমীয়া খেতিয়ক ‘চৰকাৰৰ অনুগ্ৰহ’ত নিষ্কৰ্মা হৈ পৰিছে। ভোটৰ আশাত চৰকাৰে তেওঁলোকক কিবাকিবি আৰ্থিক সাহায্য দি আছে। গতিকে তেওঁলোকে খেতিৰ মাটি বিক্ৰী কৰিবলৈ ধৰিছে।...”

যোৱা ৩ মে’ত বৰা ছাৰ শেষবাৰৰ বাবে ‘গৰীয়সী’ৰ কাৰ্যালয়লৈ আহিছিল—সেইদিনা মই ছুটীত আছিলোঁ বাবে ছাৰক লগ পোৱাৰ সৌভাগ্য নহ’ল। অৱশ্যে ১৩ মে’লৈকে ছাৰৰ সৈতে ফোনত কথা হৈছিলোঁ। সেইদিনা দুপৰীয়া ছাৰে ফোন কৰি কৈছিল—“গাটো ভাল পালেই, বাবুৰ (মানে ছাৰৰ ব্যক্তিগত গাড়ীচালক) হাতত ‘সম্পাদকীয়’ আৰু ‘অ-সম্পাদকীয়’ দুটা দি পঠিয়াম!” ১ মিনিট ১৭ ছেকেণ্ডৰ সেই বাৰ্তালাপেই আছিল আমাৰ শেষ কথোপকথন। এক কথাত, গুৰু-শিষ্যৰ অন্তিম মতবিনিময়। সদাহাস্যময়, ইতিবাচক, ৰঙিয়াল আৰু স্বাস্থ্যসচেতন বৰা ছাৰ যে এনেদৰে অকস্মাৎ আঁতৰি যাব; সেয়া আমাৰ সপোনৰো অগোচৰ আছিল। ‘গৰীয়সী’ কাৰ্যালয়ত সোমায়ে মোক চিঞৰি কয়—“বাপু, মই আহিলোঁ দেই!” আমৃত্যু শব্দ চাৰিটা কাণত প্ৰতিধ্বনিত হৈ থাকিব।

ঠিকনা ঃ সহকাৰী সম্পাদক, গৰীয়সী, ট্ৰিবিউন ভৱন, গুৱাহাটী-৭৮১০০৩, ফোন ঃ ৯৮৬৪০৭০১৪৪

## সম্পূৰ্ণ নাম-ঠিকনা দিব

আমি ইতিপূৰ্বে সঘনে অনুৰোধ কৰা সত্বেও প্ৰান্তিকৰ বহুসংখ্যক লেখকে লেখাসমূহ আমালৈ পঠাওঁতে লেখাটোৰ লগত নিজৰ নাম-ঠিকনা সম্পূৰ্ণৰূপে নিদিয়ে। পঢ়িব পৰাকৈ স্পষ্ট আখৰেৰে, PIN CODEসহ সম্পূৰ্ণ নাম-ঠিকনা আৰু ফোন নম্বৰ নথকা লেখাসমূহ প্ৰকাশৰ বাবে বিবেচনা কৰাত আমাৰ অসুবিধা হয়। বিশেষকৈ অসম্পূৰ্ণ ঠিকনা দিয়াৰ বাবে বহুতো লেখকে আমি ডাকযোগে পঠোৱা তেখেতৰ লেখা প্ৰকাশ পোৱা প্ৰান্তিকৰ সংখ্যাটো নোপোৱাকৈ থাকে।

**—সম্পাদক**, প্ৰান্তিক